4th Semester 2020
Sub: Major (Assamese)
Paper: 4.1.

Topic: স্তৰীকৰণ ব্যাকৰণ

ভাষাত বিবিধ শব্দৰ 'স্তৰ' বা 'তৰপ'ৰ (Strata) সম্পৰ্কিত সমষ্টি- বিশ্লেষণ সম্ভৱ কৰি প্ৰতিষ্ঠা লাভ কৰা ব্যাকৰণ তত্ত্বৰ নাম স্তৰীকৰণ ব্যাকৰণ। এই তত্ত্বানুসাৰে বক্তাৰ মনৰ ভাব শ্ৰোতালৈ বাণীৰূপ-কৰণ (Encoding) আৰু শ্ৰোতাৰ দ্বাৰা তাৰ অৰ্থৰূপ গ্ৰহণৰ (decoding) প্ৰক্ৰিয়াত কেইবাটাও তৰপ থাকে। ইয়াৰে প্ৰতিটো তৰপ তাৰ ঠিক ওপৰৰ তৰপটোৰ সৈতে সম্পৰ্কিত। ওপৰৰ স্তৰটো ভাবৰ স্তৰ আৰু তলৰটো ধ্বনিগত স্তৰ। এই দুয়োটা স্তৰৰ মাজৰ বিৱৰ্তিবোৰে বাক্য গঠনত বোধ বা জ্ঞান হোৱাত সহায় কৰে। ভাষাৰ অন্তৰ্গত প্ৰতিটো তৰপৰ নিজস্ব নিয়ম বৈশিষ্ট্য গঠন থাকে। স্তৰীকৰণ ব্যাকৰণে তৰপসমূহৰ ভিতৰত শব্দৰ বিভিন্ন উপাদান আৰু নিয়মবোৰৰ সম্বন্ধ প্ৰণালীবোৰৰ প্ৰতি দৃষ্টি দিয়ে। তৰপবোৰ হৈছে ভাৱগত, অৰ্থগত, শব্দগত, আকৃতিগত, বৰ্ণগত আৰু ধ্বনিগত।